**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2024
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
**Headlines**

০০০০০০০

১। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশনৰ আজি প্ৰথম দিনা নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এন ডি এ চৰকাৰৰ বাবে সংস্কাৰ হৈছে ১৪০ কোটি ভাৰতীয়ৰ জীৱন উন্নত কৰাৰ এটা মাধ্যম।

৩। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই  তামিলনাডুৰ বিষাক্ত সুৰা সেৱন সন্দৰ্ভত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ এখন পত্ৰ লিখিছে।

৪। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাত সংঘটিত হোৱা অনিয়মৰ অভিযোগৰ তদন্তৰ বাবে চি বি আইৰ দল আজি গুজৰাটৰ গোধৰাত উপস্থিত হৈছে।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

০০০০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হৈছে। অধিৱেশনত প্ৰথমে নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। প্ৰ'তেম অধ্যক্ষ ভাৰ্তুহাৰি মহতাবে শ্ৰীমোডীক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছত স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত শ্ৰীমহতাবক সহায় কৰিবলৈ নিযুক্তি দিয়া অধ্যক্ষ পেনেলৰ শপত গ্ৰহণ কৰোৱা হয়। বিজেপিৰ সাংসদ ৰাধামোহন সিং আৰু ফগ্গন সিং কুলাষ্টে অধ্যক্ষ পেনেলৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অৱশ্যে কংগ্ৰেছৰ সাংসদ কে সুৰেশ, ডি এম কে সাংসদ টি আৰ বালু আৰু তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপধ্যায়ে পেনেলৰ সদস্য হিচাপে শপত লোৱাৰ পৰা বিৰত থাকে। ইয়াৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান, নীতিন গাডকাৰী, মনোহৰ লাল, পীয়ুষ গোৱেল, জিতন ৰাম মাঝি, ৰাজীৱ ৰঞ্জন ওৰফে লল্লন সিং, ড০ বীৰেন্দ্ৰ কুমাৰ, কিৰেণ ৰিজিজু, চিৰাগ পাছোৱান আৰু আনসকলে লোকসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীদ্বয় এইছ ডি কুমাৰাস্বামী আৰু প্ৰহ্লাদ যোশীয়ে কানাড়া ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে ধৰ্মেন্দ্ৰ প্ৰধান আৰু জুৱেল ওৰামে ওড়িয়া ভাষাত শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমীয়া ভাষাত আৰু কে ৰামমোহন নাইডুৱে তেলেগু ভাষাত শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিলে গুজৰাটী ভাষাত শপত গ্ৰহণ কৰে। ইফালে কেন্দ্ৰীয় মন্ত্ৰী প্ৰতাপৰাও যাদৱে মাৰাঠী ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে ড০

জিতেন্দ্ৰ সিঙে ডগ্ৰী ভাষাত শপতগ্ৰহণ কৰে। কেন্দ্ৰীয় সুৰেশ গোপীয়ে মালায়ালম ভাষাত আৰু সুকান্ত মজুমদাৰে বাংলা ভাষাত শপত গ্ৰহণ কৰে। ইফালে দুৰ্গাদাস ওকে সংস্কৃতি ভাষাত শপত গ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীসকলে শপত গ্ৰহণ কৰাৰ পাছতে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ আন সাংসদসকলে পৰ্যায়ক্ৰমে শপত গ্ৰহণ কৰিছে। অন্ধ্ৰপ্ৰদেশ আৰু অৰুণাচল প্ৰদেশৰ নৱনিৰ্বাচিত সাংসদসকলে শপত গ্ৰহণ কৰে। আজি শপত গ্ৰহণ কৰা সাংসদ সকলৰ ভিতৰত অন্যতম অসমৰ পৰা কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইন আৰু বিজেপিৰ বিজুলী কলিতা মেধি অন্যতম। বিহাৰৰ পৰা জনতা দল ইউনাইটেডৰ লাভলী আনন্দ আৰু দেৱেশ চন্দ্ৰ ঠাকুৰ, বিজেপিৰ ৰাজীৱ প্ৰতাপ ৰুডী আৰু ৰবিশংকৰ প্ৰসাদ, আৰ জে ডিৰ মিছা ভাৰতী আৰু কংগ্ৰেছৰ তাৰিক আনোৱাৰে শপত গ্ৰহণ কৰে। চণ্ডিগড়ৰৰ পৰা নিৰ্বাচিত কংগ্ৰেছৰ সাংসদ মনীষ তিৱাৰীয়ো শপত গ্ৰহণ কৰে।

আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে অষ্টাদশ লোকসভাত প্ৰথমবাৰৰ বাবে ভাৰতৰ বহু ভাষিক আৰু পৰম্পৰাগত ঐতিহ্য উল্লেখযোগ্যভাৱে প্ৰতিফলিত হৈছে। হিন্দী আৰু ইংৰাজী ভাষাৰ উপৰিও ভালেমান সাংসদে আঞ্চলিক ভাষা, অসমীয়া, তেলেগু, বাংলা, মালায়ালম, গুজৰাটী, সংস্কৃত, কানাড়া, উৰিয়া, ডগ্ৰী আৰু আন আন আঞ্চলিক ভাষাত শপত গ্ৰহণ কৰে। কিছুমান সাংসদে তেওঁলোকৰ পৰম্পৰাগত বস্ত্ৰ পৰিধান কৰা পৰিলক্ষিত হয়। সংসদৰ শাসকীয় আৰু বিৰোধী পক্ষৰ সাংসদসকলৰ মাজত ব্যাপক উৎসাহ -উদ্দীপনা পৰিলক্ষিত হয়। শপত গ্ৰহণ অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে সাংসদসকলে ইজনে সিজনক শুভেচ্ছা জনোৱাৰ লগতে ফটো তোলা পৰিলক্ষিত হয়। বিজয়ানগৰমৰ টি ডি পিৰ সাংসদ এ কালিছেত্তী চাইকেল লৈ সংসদভৱনলৈ আহে। আনহাতে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, তৃণমূল কংগ্ৰেছ, ডি এম কেকে ধৰি আন সাংসদসকলে সংবিধানৰ প্ৰতিলিপি লৈ লোকসভাত প্ৰৱেশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এন ডি এ চৰকাৰৰ বাবে সংস্কাৰ হৈছে ১৪০ কোটি ভাৰতীয়ৰ জীৱন উন্নত কৰাৰ এটা মাধ্যম। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰীমোদীয়ে কৈছে যে, সামগ্ৰী আৰু সেৱা কৰ প্ৰৱৰ্তনৰ পাছত নিত্য ব্যৱহাৰ্য সামগ্ৰীবোৰ সহজলভ্য হৈ উঠিছে আৰু ইয়াৰ ফলত দৰিদ্ৰ আৰু সাধাৰণ মানুহৰ সঞ্চয় বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, চৰকাৰে জনজীৱনৰ পৰিৱৰ্তনৰ বাবে সংস্কাৰৰ এই যাত্ৰা অব্যাহত ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ তামিলনাডু বিষাক্ত সুৰা সেৱন কৰি মৃত্যু হোৱা সন্দৰ্ভত এখন পত্ৰ লিখিছে। শ্ৰীখাৰ্গেলৈ লিখা পত্ৰখনত শ্ৰীনাড্ডাই কংগ্ৰেছৰ স্থিতিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি এই বিষয়ত দলটোৱে মৌনতা অৱলম্বন কৰিছে বুলি অভিযোগ তুলিছে। শ্ৰীনাড্ডাই কংগ্ৰেছৰ সভাপতিক তেওঁলোকৰ মিত্ৰজোঁটৰ অংশীদাৰ আৰু তামিলনাডুৰ শাসকীয় দল ডি এম কেক চি বি আইৰ তদন্তৰ বাবে হেঁচা প্ৰয়োগ কৰিবলৈ কয়। শ্ৰীনাড্ডাই তামিলনাডুৰ মন্ত্ৰী এছ মুথুছামিক ৰাজ্যিক মন্ত্ৰীসভাৰ পৰা শীঘ্ৰে অপসাৰণৰ বাবেও অনুৰোধ জনায়।

০০০০০০০

চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাত সংঘটিত হোৱা অনিয়মৰ অভিযোগৰ তদন্তৰ বাবে চি বি আইৰ দল আজি গুজৰাটৰ গোধৰাত উপস্থিত হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে, যোৱা ৫ মে'ত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হোৱাৰ তিনিদিন পাছত গোধৰাৰ এটা পৰীক্ষা কেন্দ্ৰত হোৱা অনিয়মক লৈ

এজাহাৰ ৰুজু হৈছিল। বৰ্তমানলৈ, গোধৰাত কমেও ৩০জন ছাত্ৰ-ছাত্ৰীক প্ৰশ্নকাকত সমাধান কৰাত সহায় কৰাৰ অভিযোগত আৰক্ষীয়ে পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ইফালে গুজৰাটৰ পঞ্চমহল জিলা আদালতৰ ন্যায়াধীশে শুকুৰবাৰে অভিযুক্তৰ জামিন আৱেদন নাকচ কৰে।

০০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ **এটা সপ্তাহ এটা বিষয়বস্তু** উন্মোচন কৰে। এই কাৰ্যসূচীত বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ সাফল্যসমূহ প্ৰতিফলিত কৰা হ'ব। অনুষ্ঠানত ভাষণ দি ড০ সিঙে কয় যে, এই পদক্ষেপে প্ৰাসংগিক বিজ্ঞানৰ উল্লেখযোগ্য বৈজ্ঞানীক সাফল্যসমূহৰ সন্দৰ্ভত সংশ্লিষ্ট পক্ষ আৰু উদ্যোগৰ দায়িত্ববাহী জনসাধাৰণক অৱগত কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই অনুষ্ঠানে উদ্ভাৱনৰ গতি তৰান্বিত কৰাৰ লগতে বিভিন্ন বিভাগসমূহক একত্ৰিত কৰিব। বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ **এটা সপ্তাহ এটা বিষয়বস্তু** শীৰ্ষক কাৰ্যসূচী মহাকাশ, স্বাস্থ্য যন্ত্ৰ আৰু শক্তিকে ধৰি আঠটা বিভিন্ন বিষয় লৈ অনুষ্ঠিত হৈছে।

০০০০০০০

দক্ষিণ কোৰিয়াৰ লিথিয়াম বেটাৰী নিৰ্মাণ প্ৰকল্পত আজি সংঘটিত এটা অগ্নিকাণ্ডৰ পাছত ২০টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি চীনৰ নাগৰিকৰ লগতে ২৩ গৰাকী লোকৰ সন্ধান এতিয়াও লাভ কৰা নাই। দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলৰ ৱাছং এৰিচেল কাৰখানাৰ গুদামত কেইবাটাও বেটাৰীৰ বিস্ফোৰণ হোৱাৰ ফলত এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। লিথিয়াম আয়ন বেটাৰীৰ নিৰীক্ষণ আৰু পেকেজিং কৰা মজিয়াত এই জুইৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডৰ সময়ত প্ৰায় ৩৫ হাজাৰটা বেটাৰী ভৰনটোত মজুত আছিল। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি অগ্নিকাণ্ডৰ পূৰ্বে কাৰখানাটোত কমেও ৬৭ গৰাকী লোক কৰ্মৰত আছিল।

০০০০০০০

আপোনাৰ হয়তো প্ৰিয়তম বন্ধু এটা ৰেডিঅ'। অথবা আপোনাৰ ঘৰত স্মৃতিৰ জেউতি চৰাই আছে এটি পুৰণি ৰেডিঅ', যাৰ সৈতে এৰি অহা সময়ৰ নজহা নপমা বহু কথা বিজড়িত হৈ আছে। আপোনাৰ এই আপুৰুগীয়া সম্পদটো আনৰ আগতো প্ৰদৰ্শন কৰাৰ বাবে আকাশবাণী গুৱাহাটীয়ে সুযোগ দিব বিচাৰিছে। অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব। ছেণ্ট লুছিয়াৰ ডাৰেন ছাম্মী নেচনেল ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। দুয়োটা দলৰ মাজত অনুষ্ঠিত পূৰ্বৰ ৩১ খন টি-২০ খেলত ভাৰতে ১৯ খনত আৰু অষ্ট্ৰেলিয়াই ১১ খনত জয়লাভ কৰাৰ বিপৰীতে এখন খেল অমিমাংসিত হৈ ৰয়।

ইফালে, এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ্ ষ্টেডিয়ামত আজি পুৱা অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজক তিনি উইকেটত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত প্ৰবেশ কৰে। ৱেষ্ট ইণ্ডিজে ১৭ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩৫ ৰান কৰে। বৰ্ষাবিঘ্নিত খেলখনত দক্ষিণ আফ্ৰিকাই ১৭ অভাৰত সংশোধিত ১২৩ ৰানৰ বিজয় লক্ষ্যত উপনীত হয়।

০০০০০০০

**ঃ সমাপ্ত ঃ**